রাজ্যিক কাৰ্য্যালয়

# ভাৰতীয় জনতা পাৰ্টি ঃঃ অসম প্ৰদেশ

*"অটল বিহাৰী বাজপেয়ী ভৱন"*

Hengrabari, Guwahati - 781 036 :: Tel - 0361-2355522, Fax - 2359936 :: Email- bjp.guwahati@gmail.com

প্ৰেছ বিজ্ঞপ্তি

## বিজেপি বিধায়ক দিলীপ মৰাণৰ নেৰানেপৰা চেষ্টাত চাহ শ্ৰমিকে বন্ধবাৰৰ হাজিৰা পালে

গুৱাহাটী, ১৯ ডিচেম্বৰ ২০১৪ ঃ কোম্পানী চাহ বাগিছাৰ স্থায়ী শ্ৰমিকসকলৰ বন্ধবাৰ (দেওবাৰ)ৰ হাজিৰা চাহ শ্ৰমিকসকলে ভাৰতীয় শ্ৰমিক আইনত থকা স্বত্বেও তেওঁলোকৰ এই অধিকাৰৰ পৰা বঞ্চিত কৰি ৰাখিছিল কংগ্ৰেছ চৰকাৰে। ২০১১ চনত বিধানসভাত ডুমডুমা সমষ্টিৰ বিজেপিৰ বিধায়ক দিলীপ মৰাণে চাহ বাগানৰ শ্ৰমিকসকলৰ দৈনিক মজুৰি ৭১.৫০ টকাৰ পৰা ১০০ টকালৈ বৃদ্ধি কৰিবলৈ অনুৰোধ জনাই আৰু লগতে চাহ শ্ৰমিক সকলৰ বন্ধবাৰ তথা দেওঁবাৰৰ হাজিৰা দিয়া ব্যৱস্থা কৰিবৰ কাৰণে অনুৰোধ জনাইছিল। এই প্ৰশ্নৰ উত্তৰত অসম চৰকাৰৰ শ্ৰম মন্ত্ৰী পৃথিৱী মাঝি ডাঙৰীয়াই ১০০ টকালৈ বৃদ্ধি কৰিবলৈ আশ্বাস দিছিল লগতে শ্ৰমিক সকলৰ বন্ধবাৰৰ হাজিৰা দিয়া ব্যৱস্থা শ্ৰমিকৰ আইনমতে আছে বুলি উত্তৰ দিছিল। এই উত্তৰৰ লগতে চাহ বাগানৰ কতৃপক্ষলৈ বন্ধবাৰ তথা দেওঁবাৰৰ হাজিৰা দিবলৈ লিখিত নিৰ্দ্দেশনা দিছিল ১৯৯৯ চনতে কিন্তু কংগ্ৰেছ চৰকাৰে বাগানৰ শ্ৰমিকৰ হিতৰ বিপৰীতে কাৰ্য্যকৰী নকৰিলে। শীতকালিন বিধানসভাত ডুমডুমা সমষ্টিৰ বিজেপি বিধায়ক দিলীপ মৰাণে পুনৰ বাৰ এই বিষয়ৰ ওপৰত ৪.১২.২০১৪ তাৰিখে লিখিত প্ৰশ্ন বিধানসভাত পুনৰ দাখিল কৰে। কিন্তু চৰকাৰে বিধানসভাৰ শীতকালীন অধিবেশন আৰম্ভ হোৱাৰ আগতিয়াকৈ ১২.১২.২০১৪ তাৰিখে চাহ বাগান কতৃপক্ষলৈ শ্ৰমিকৰ বন্ধবাৰৰ হাজিৰা দিবলৈ চৰকাৰে নিৰ্দেশনা জাৰি কৰে। বিধায়ক শ্ৰী মৰাণে যোৱা ১৫.১২.২০১৪ তাৰিখে এই বিষয়ত প্ৰশ্ন উত্থাপনৰ লগতে শ্ৰমিকসকলৰ কাৰণে দৈনিক মজুৰি ১৫০ টকালৈ বৃদ্ধি কৰিবলৈ অনুৰোধ জনায়। বিধায়ক শ্ৰীদিলীপ মৰাণে কংগ্ৰেছ চৰকাৰখনক প্ৰশ্ন কৰে যে শ্ৰমিকৰ প্ৰতি যদি কংগ্ৰেছৰ ইমানে দৰদ আছিল তেনেহলে এইখন আদেশ জাৰি কৰিবলৈ ইমান বছৰ কিয় লাগিল? আৰু শ্ৰমিকৰ দৈনিক হাজিৰা ১৫০ টকালৈ বৃদ্ধি কৰিবলৈ আৰু কিমান দিন লাগিব? কেন্দ্ৰত বিজেপি চৰকাৰ গঠন হোৱাৰ পিচৰে পৰা বাগানে বাগানে কংগ্ৰেছ দলে বিজেপিৰ বিপক্ষে বিভিন্ন অপপ্ৰচাৰ চলাই আছে কিন্তু প্ৰকৃততে বিজেপিৰ মাত্ৰ ৬ জন বিধায়কৰ হেচাত চৰকাৰে আজি বগানৰ শ্ৰমিকৰ দৈনিক হাজিৰা বৃদ্ধি কৰা আৰু শ্ৰমিকৰ বন্ধবাৰ (দেওঁবাৰ)ৰ হাজিৰা দিবলৈ বাধ্য হ'ল ।

অসম চৰকাৰৰ শ্ৰমমন্ত্ৰী পৃথিৱী মাঝীক বিধায়ক দিলীপ মৰাণ, সাংসদ কামাখ্যা তাছা আৰু সাংসদ ৰামেশ্বৰ তেলীয়ে ভাৰতীয় জনতা পাৰ্টিৰ হৈ বাগানৰ শ্ৰমিকৰ হিতে বন্ধবাৰৰ (দেওবাৰৰ) হাজিৰা দিয়াৰ যি আদেশ জাৰি কৰিলে তাৰ বাবে মন্ত্ৰী ডাঙৰীয়াৰ লগতে অসম চৰকাৰক ধন্যবাদ জ্ঞাপন কৰে।

স্বাক্ষৰ/- দিলীপ মৰাণ, বিধায়ক  
ভাৰতীয় জনতা পাৰ্টি, অসম প্ৰদেশ